জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
১৬ জানুৱাৰী, ২০২৫ ■ বৃহস্পতিবাৰ ■ ২ মাঘ, ১৯৪৬ শক

চতিয়া প্ৰেছ ক্লাৱত গ্ৰন্থ উন্মোচনী সভা
ড° অনুশ্ৰী অধিকাৰীৰ স্বৰ্ণিল চতিয়া, চতিয়াৰ লোক-মন, লোকজীৱন নামৰ গ্ৰন্থ উন্মোচন

দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ১৫ জানুৱাৰী ঃ চতিয়া প্ৰেছ ক্লাৱত আজি এক গাম্ভীৰ্যপুৰ্ণ অনুষ্ঠানত চতিয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° অনুশ্ৰী অধিকাৰীৰ 'চতিয়াৰ লোক- মন লোক- জীৱন নামৰ গৱেষণা মূলক গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচনী সভাখনত সভাপতিত্ব কৰে অৱসৰ প্ৰাপ্ত শিক্ষক তথা বুৰঞ্জীবিদ করুণানন্দ হাতীবৰুৱাই। বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা। গ্ৰন্থখনৰ উন্মোচক চতিয়া জ্ঞানবিকাশ একাডেমীৰ শিক্ষক ড° পৰাগ জ্যোতি হাজৰিকাই লিখিকা গৰাকীৰ সাহিত্য কুতীৰ বিষয়ে অৱগত কৰাৰ লগতে গ্ৰন্থখনৰ ওপৰত আলোকপাত কৰি বক্তৃতা প্ৰদান কৰে। বিধায়ক পদ্ম হাজৰিকাই তেখেতৰ ভাষণত চতিয়াৰ চহকী লোকসংস্কৃতিৰ বিষয়ে উল্লেখ কৰাৰ লগতে লিখিকা গৰাকীৰ কষ্টসাধ্য কামক ভূয়সী প্ৰশংসা কৰে। বিধায়কজনে গ্ৰন্থখনিক চতিয়াৰ সমাজ জীৱনৰ এক প্ৰামানিক দলিল বুলি উল্লেখ কৰি নতুন পুৰুষৰ বাবে এক সমল ৰূপে বিবেচিত হ'ব বুলি জনাই । সভাত সমজুৱাৰ ফালৰ পৰা পংকজ জ্যোতি ভুঞা, মৃণাল গোস্বামী, ময়ুৰাক্ষী মহন্ত শইকীয়া, মীৰা শইকীয়া, প্ৰনৱ ওজাই ভাষণ ৰাখে । বক্তা কেইগৰাকীয়ে দক্ষিণ কামৰূপৰ জীয়াৰী তথা চতিয়াৰ বোৱাৰী অনুশ্ৰী অধিকাৰীৰ চতিয়াৰ সমাজ জীৱনৰ প্ৰতি থকা দায়বদ্ধতাক প্ৰশংসা কৰে। লিখিকাগৰাকীয়ে কিদৰে গৱেষণামূলক গ্ৰন্থখন ৰচনা কৰিবলৈ কঠোৰ সাধনা তথা পৰিশ্ৰম কৰিব লগা হৈছিল সেই কথাও দোহাৰে। সভাপতি করুণানন্দ হাতীবৰুৱাই গ্ৰন্থখনিত লিখিকাই ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে চতিয়াৰ পৰিচয়, সংস্কৃতি, লোকসংস্কৃতি, লোকসাহিত্য, বাচিক কলাৰ কিদৰে সুন্দৰকৈ উপস্থাপন কৰিছে তাৰ বৰ্ণনা দাঙি ধৰে। লগতে লিখিকা গৰাকীয়ে সম্পাদনা কৰা আৰু ৰচনা কৰা গ্ৰন্থসমূহৰ বিষয়ে উল্লেখ কৰে। লগতে অনাগত সময়ত লিখিকা গৰাকীৰ কাপৰে উৎকৃষ্ট সাহিত্য নিগৰি চতিয়াক সমৃদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়াই লিখিকাৰ স্বামী ড° সুৰজিত শইকীয়াই।

লখিমপুৰৰ জহিঙত কুকুৰা যুঁজৰ নামত মদৰ আড্ডা, জুৱাখেলত লিপ্ত আটছাৰ নেতা

দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ১৩ জানুৱাৰী ঃ দেশৰ উচ্চতম ন্যায়ালয়ে ২০১৪ বৰ্ষত জীৱ-জন্তুৰ নিৰ্যাতন আৰু যুঁজৰ বিপৰীতে ৰায়দান আৰু ২০১৮ বৰ্ষত ৰাজ্যিক উচ্চ ন্যায়ালয়ে পক্ষী যুঁজ বা কুকুৰা যুঁজ নিষিদ্ধ ঘোষণাক ভেঙুচালি দেখুৱাই লখিমপুৰত সম্প্ৰতি এনে অবৈধ কাৰ্যত লিপ্ত হৈছে আটছাৰ একাংশ নেতা। লখিমপুৰ জিলাৰ জহিং অঞ্চলত কুকুৰা যুঁজৰ নামত মদৰ আড্ডা আৰু জুৱাখেলৰ বজাৰ কৰাৰ কথা পোহৰলৈ আহিছে। জানিব পৰা মতে, অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ কেন্দ্ৰীয় এগৰাকী নেতা আৰু জিলা পৰ্যায়ৰ এগৰাকী নেতাৰ নেতৃত্বত জহিঙত অবৈধভাৱে গঢ় লৈ উঠা কুকুৰা যুঁজসস্হলীত মদৰ আড্ডা আৰু জুৱাখেলৰ বজাৰে স্থানীয় ৰাইজক সচকিত কৰি তুলিছে। ৰাইজৰ অভিযোগ যে, আটছাৰ নেতাদুজনে নিজা খেতি-মাটিত চলাই থকা অবৈধ কুকুৰা যুঁজ, মদৰ আড্ডা, জুৱাখেলে শিক্ষাৰ্থীসকলক বিপথে পৰিচালিত কৰাৰ লগতে চাহ জনগোষ্ঠী আৰু আদিবাসী লোকসকলৰ শৈক্ষিক, সাংস্কৃতিক দিশত বিৰূপ প্ৰভাৱ পেলাইছে। আৰক্ষী প্ৰশাসন আৰু চৰকাৰে অবৈধভাৱে প্ৰচলিত কুকুৰা যুঁজ, মদৰ আড্ডা আৰু জুৱা খেল বন্ধ কৰাৰ দাবী জনাইছে আৰু আটছা নেতা দুজনৰ বিৰুদ্ধে সৰৱ হৈছে। উল্লেখ্য যে, নেতা দুজনৰ নেতৃত্বত জিলাখনৰ প্ৰায়কেইখন চাহ বাগিচা- হাৰমতী, দ'লহাট, চিলনীবাৰী, কয়লামাৰী, চিনাতলীয়া, চিয়াজু লিৰ লোকসকলে ঢলপুৱাৰে পৰা সন্ধিয়ালৈকে কুকুৰা লৈ জহিঙস্থিত কুকুৰা যুঁজথলীত সপ্তাহৰ বুধবাৰ আৰু দেওবাৰে জুৱাখেল আৰু মদৰ আড্ডা দিয়াৰ অভিযোগ তোলে। বিগত সময়চোৱাত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ লখিমপুৰ শাখা সমিতিয়ে জহিং উপ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক সেই সন্দৰ্ভত স্মাৰকপত্ৰ প্ৰদান কৰাৰ লগতে বাৰেবাৰে অৱগত কৰাৰ পাছতো আৰক্ষী প্ৰশাসনে চকু মুদা কুলিৰ ভাও লোৱাটোৱে সচেতন মহলক বাৰুকৈয়ে চিন্তিত কৰিছে।

ধুবুৰীত তেৰটা বাছফৰ পৰিয়ালৰ মাজত হাহাকাৰ পৰিস্থিতি
ভোগালীৰ আনন্দৰ মাজতেই আত্মজাহৰ হুংকাৰ অনুসূচীত জাতিৰ তেৰটা বাছফৰ পৰিয়ালৰ

দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৫ জানুৱাৰী ঃ চৌদিশে চলিছে ভোগালীৰ প্ৰস্তুতি, ভোগালীৰ আনন্দ। তেনে সময়তে ধুবুৰীত তেৰটা বাছফৰ পৰিয়ালৰ মাজত হাহাকাৰ পৰিস্থিতি। জীৱন সম্পত্তিক লৈ ভাবুকি আহি পৰিছে ধুবুৰীৰ তেৰটা বাছফৰ পৰিয়ালৰ। ভোগালীৰ আনন্দৰ মাজতেই আত্মজাহৰ হুংকাৰ অনুসূচীত জাতিৰ তেৰটা বাছফৰ পৰিয়ালৰ। ধুবুৰী মেডিকেল কলেজ হস্পিতালত আৱশ্যকীয়ে পৰা নিযুক্ত হৈ থকা চাফাই কৰ্মী সকলে নিজৰ সংস্থাপন বিচাৰি আন্দোলন কৰি অহা পৰিলক্ষিত হৈছিল। দীৰ্ঘ দিনে ধুবুৰী মেডিকেল কলেজ হস্পিতাল কেম্পাছত আছিল যদিও তেৰটা পৰিয়ালক কেইদিনমান পূৰ্বে মেডিকেল কেম্পাছৰ পৰা উচ্ছেদ কৰি ওচৰৰ জ্যোতি নগৰত সংস্থাপন কৰি দিছিল জিলা প্ৰশাসনে। বৃহত্তৰ মুছলমান সমাজৰ মাজ ভাগৰ এডোখৰ মাটিত তেৰটা হিন্দু ধৰ্মীয় বাছফৰ সম্প্ৰদায়ৰ অনুসূচীত জাতিৰ পৰিয়ালৰ আৱাসস্থল নিৰ্মাণ কৰি দিয়ে জিলা প্ৰশাসনে। এটা মছজিদৰ কাষতেই হিন্দু ধৰ্মীয় বাছফৰ পৰিয়ালক স্থাপন কৰাৰ পিছতেই ক্ষোভিত হৈ পৰিছে এতিয়া মেডিকেল কলেজ হস্পিতালৰ চাফাই কৰ্মীৰ তেৰটা গৃহহীন পৰিয়াল। জিলা প্ৰশাসন আৰু চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰে বাছফৰ পৰিয়ালে। লগতে এওঁলোকৰ দাবী পূৰণ কৰা নহলে তেৰটা পৰিয়ালৰ অৰ্ধ শতাধিক লোকে সমূহীয়া আত্মজাহ দিয়াৰ বাবে প্ৰস্তুত বুলি হুংকাৰ প্ৰদান কৰে। আজি অনুসূচীত জাতি বাছফৰ কল্যাণ সমিতিৰ ৰাজ্যিক প্ৰতিনিধিৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। বৃহত্তৰ মুছলমান সমাজৰ মাজ ভাগত অৱস্থিত জ্যোতি নগৰ মছজিদৰ কাষত তেৰটা হিন্দু ধৰ্মীয় অনুসূচীত বাছফৰ পৰিয়ালক সংস্থাপন দিয়াৰ পিছত যিকোনো মুহূৰ্তত সাম্প্ৰদায়িক সংঘাতৰ সূত্ৰপাত হব পাৰে বুলি কৈ অন্য স্থানৰ হিন্দু সমাজত সংস্থাপনৰ ব্যৱস্থা কৰাৰ দাবী জনায়।

নাজিৰাৰ ঐতিহাসিক জয়খামদাং ৰাইজৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ
কৃষিভূমিত নিৰ্মাণ কাৰ্যৰ প্ৰতিবাদ

দৈনন্দিন বাৰ্তাৰ সেৱা, মেছাগড়, ১৫ জানুৱাৰী ঃ নাজিৰা সমজিলাৰ অন্তৰ্গত কৃষিভূমিৰ লগত জড়িত তথা অঞ্চলৰ মূল ঐতিহাসিক জয়খামদাং পথাৰত চলি থকা বহিৰাগত তথা একাংশ স্থানীয় বেপেৰুৱা লোকৰ ছত্ৰছায়াত কৃষিভূমিত অবাধ পকী নিৰ্মাণ চলোৱা কাৰ্যৰ প্ৰতিবাদ কৰি জয়খামদাং খাট গাৱঁৰ ৰাইজে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ নাজিৰা সমজিলা আয়ুক্তৰ যোগেদি কৃষিভূমি সংৰক্ষণৰ দাবীত এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উল্লেখ যে কৃষি আইন অনুসৰি উক্ত খাট পথাৰত ভূমি ক্ৰয়-বিক্ৰয় কেৱল কৃষিকাৰ্যৰ বাবেহে প্ৰযোজ্য ইয়াত ক্ৰেতাই ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত পঞ্জীয়ন বাবে আবেদন কৰাৰ সময়ত শপতনামাত কৃষিকৰ্ম কৰাৰ বাবেহে উক্ত ভূমি ক্ৰয় কৰা হৈছে বুলি উল্লেখ কৰাৰ পাছতেই মাটিৰ শ্ৰেণী সলনি কৰি পকী নিৰ্মাণ কাৰ্যৰ আৰম্ভ কৰি দিনক দিনে কৃষিভূমিৰ সংকোচন কৰি অহাৰ লগতে দাতিকাষৰীয়া লোকৰ কৃষিকাৰ্য কৰি অহা ভূমিৰ উৰ্বৰা শক্তি কমাই ভাবুকি সৃষ্টি কৰি আহিছে। এইক্ষেত্ৰত নাজিৰা ৰাজহচক্ৰ বিভাগৰ পদক্ষেপ অতি দুৰ্বল এইবোৰ প্ৰতিৰোধৰ ক্ষেত্ৰত কাৰ্যালয় পূৰ্বৰ তথা বৰ্তমানৰ একাংশ দুৰ্নীতি পৰায়ণ তথা স্বাৰ্থন্বেষী বিষয়াই তথা কৰ্মচাৰীৰ কু-পদক্ষেপৰ বাবে বৰ্তমান সময়ত কৃষিভূমিত আগ্ৰাসন চলিব ধৰিছে। শালি, লাহী, ৰৰা, মালভোগ, মাচুৰী, জহা, ৰঞ্জিত আদিকে ধৰি বিভিন্নজাতৰ ধানৰ উৎপাদনে স্থানীয়ভাৱে ৰাইজৰ চাহিদা পূৰণ কৰাত যথেষ্ট অৰিহণা যোগোৱা তথা মৎস্য চিকাৰৰ থলী হিচাবে পৰিগণিত ঐতিহাসিক জয়খামদাং খাট পথাৰত হোৱা এনে নিৰ্মাণ আগ্ৰাসন শীঘ্ৰে ৰোধ নকৰিলে যে দিনক দিনে গ্ৰাম্য অঞ্চলৰ সামাজিক জীৱন তথা পৰিৱেশ বিনষ্ট কৰাৰ দিশে আগবাঢ়িব সি একপ্ৰকাৰে নিশ্চিত।)

উদ্যোগপ্ৰতি লক্ষ্মী ভড়ালীৰ জন্ম দিন উদ্‌যাপন

দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৫ জানুৱাৰী ঃ আজি বিহালী সমষ্টিৰ বিশিষ্ট সমাজ সেৱক তথা উদ্যোগপ্ৰতি লক্ষ্মী ভড়ালীৰ জন্ম দিন উদযাপন কৰা হয় বটিয়ামাৰী নেপালীবড়ি চাহ ফেক্টৰী প্ৰেক্ষাগৃহত। ১৯৭৫ চনত জন্ম গ্ৰহণ কৰা বটিয়ামাৰী অঞ্চলৰ বিশিষ্ট সমাজ সেৱক তথা তথা উদ্যোগপ্ৰতি লক্ষ্মী ভড়ালীয়ে ৫৩ টা বৰ্ষৰত ভড়ি দিলে আজি। বিশিষ্ট সমাজ সেৱক তথা উদ্যোগপ্ৰতি লক্ষ্মী ভড়ালীৰ উপজা দিনটোত বটিয়ামাৰী নেপালীবড়ী চাহ ফে''ৰী প্ৰেক্ষাগৃহত স্থানীয় লোক সকলে কেট কাটি সমাজ কৰ্মী গৰাকীৰ উপজা দিনটো উদযাপন কৰে।এই উপজা দিনটো উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক ভুৱন লুইটেল, বিহালী প্ৰেছ ক্লাৱৰ প্ৰাক্তন সম্পাদক খগেন মটক, সম্পাদক শ্ৰীমন্ত দাস,সাংবাদিক চিমন্ত দাস,চাহ খেতিয়ক হেমন্ত ৰিজাল,ধৰ্মেন্দ্ৰ ছেত্ৰী,দেৱ কুমাৰ চেত্ৰী,তিলক প্ৰধানকে ধৰি অঞ্চল কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি বিশিষ্ট সমাজ কৰ্মী লক্ষ্মী ভড়ালীক গামোচাৰে অভিনন্দনজ্ঞাপন কৰে।

ধুবুৰী সদৰ থানাত এজাহাৰ দিয়াৰ পিছতো চাৰিমাহ উকলি গ'ল আজিলৈকে গোচৰ পুঞ্জীয়ন নহল
চোলাৰ কাণ্ডৰ সাক্ষী প্ৰমাণ থকা সত্বেও এজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নহল আৰক্ষী

দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৫ জানুৱাৰী ঃ মাজেৰচৰ চলাকুৰাত চোলাৰ কাণ্ড সংঘটিত কৰা সাক্ষী প্ৰমাণ থকাৰ পিছতো এজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নহল আৰক্ষীয়ে। আৰক্ষীৰ ভূমিকা কিয় ৰহস্যজনক। অঞ্চলজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চাৰিমাহ পূৰ্বে বেল্লাল হুছেইনে এই লোকজনৰ ঘোড়াগাড়ীত দি লৈ গৈছিল চোলাৰ প্লেট আৰু বেটাৰী। আৰক্ষীয়ে এওঁৰ ভাষ্যও লৈছিল। মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যিমানেই দুৰ্নীতি মুক্ত অসম গঢ়িবলৈ তৎপৰ হৈছে সিমানেই যেন একাংশ অসাধু লোকে আৰক্ষীৰ ভূমিকা চাই দুৰ্নীতি কৰিবলৈ সাহস পাইছে। ইফালে মাজেৰচৰ চলাকুৰা হানিফ আলি ওৰপে হানুৰ ঘৰত স্থাপন কৰা চোলাৰ প্ৰজেক্টৰৰ বেটাৰী চুৰি সন্দৰ্ভত ফুলচান আলিয়ে কয় যে বেটাৰী বিক্ৰী কৰিছে এই কথা কমৰচানে জানে বুলি কেমেৰাৰ সন্মুখত ভাষ্য প্ৰদান কৰে। আৰক্ষীয়ে জাননী প্ৰেৰণ কৰিয়েই দায়িত্ব সামৰিছে নেকি? এতিয়া প্ৰশ্ন হয় ঘোড়াগাড়ীৱালা জেল হকক, আৰু স্থানীয় বাসিন্দা ফুলচান আলিক আৰক্ষীয়ে বৰ্তমানে শোধ পোছ কৰিছে নে? বৰ্তমানে আৰক্ষীয়ে সুধিছিল নে? প্ৰাক্তন পঞ্চায়ত সভাপতি ছমেৰ উদ্দীন আহমেদক। কাৰণ প্ৰাক্তন পঞ্চায়ত সভাপতি ছমেৰ উদ্দীন আহমেদৰ উপস্থিতত চাৰিমাহ পূৰ্বে আৰক্ষীৰ উপস্থিতত ঘোড়াগাড়ীৱালা জেল হকে ভাষ্য প্ৰদান কৰিছিল, মোৰ ঘোড়াগাড়ী দি লৈছিল চোলাৰ প্লেটসমূহ। ছমেৰ উদ্দীন আহমেদক আৰক্ষীয়ে সুধিছিল নে? আনহাতে চৰকাৰী চোলাৰ প্ৰজে''ৰৰ উৰ্দ্ধতম কৰ্তৃপক্ষই ধুবুৰী সদৰ থানা লৈ পঠিওৱা জাননী দিয়া হৈছিল । তাত ইস্পষ্ট কৈ লিখা আছে— আপোনালোকক অনুৰোধ জনোৱা হৈছে যে এই সন্দৰ্ভত প্ৰয়োজনীয় তদন্ত কৰক আৰু চৰকাৰী সম্পত্তি চুৰিৰ লগত জড়িত অপৰাধীসকলক অতি সোনকালে গ্ৰেপ্তাৰ কৰক। এতিয়া প্ৰশ্ন হয়। আৰক্ষীৰ হাতত এনেকুৱা তথ্য থকা সত্বেও কিয় বেল্লাল হুছেইনক গ্ৰেপ্তাৰ কৰিব পৰা নাই? সেই লৈ অঞ্চলজুৰি সচেতন মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আমাৰ এই প্ৰতিবেদন চোৱাৰ পিছত মাজেৰচৰ ৯ নম্বৰ ৰিভাৰ ব্লকত নওসাদ আলিৰ মাটিত স্থাপন কৰা চোলাৰ প্ৰজেক্টৰৰ সা- সামগ্ৰী চুৰি আৰু বিক্ৰী সন্দৰ্ভত আৰক্ষী প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হব লক্ষণীয় বিষয়। আমি পৰৱৰ্তী প্ৰতিবেদনত কোনে কিমান টকাত বেটাৰী বিক্ৰী কৰিছে আৰু নিজ মুখে স্বীকাৰ কৰিছে বেটাৰী কৰা বুলি সেই তথ্য সহকৰে ফাদিল কৰিম চোলাৰ কাণ্ডৰ কাহিনী।

এন.ই. ইলেকট্ৰনিকছ লিমিটেড
পঞ্জীকৃত ঠিকনা ঃ হাউচ নং ৩৬, এছ চি ৰোড বাইলেন-৩ আঠগাওঁ পুকুৰিপাৰ, কামৰূপ, গুৱাহাটী, ৭৮১০০১, অসম, ভাৰত
চিআইএন ঃ এল৩২২০৩এএছ১৯৮৩পিএলচি০০২০৮২, ইমেইল আইডি ঃ ne_electronic@yahoo.co.in

জাননী

ইয়াৰ দ্বাৰা জাননী দিয়া হৈছে যে **১০ জানুৱাৰী২০২৫** তাৰিখৰ ইআ'জিএমৰ জাননীত উল্লেখ কৰা কাৰ্যসূচী বিবেচনা আৰু অনুমোদন কৰিবলৈ **এন.ই. ইলেকট্ৰনিকছ লিমিটেডৰ** সদস্যসকলৰ অতিৰিক্ত সাধাৰণ সভা (ইআ'জিএম) **১৮ জানুৱাৰী, ২০২৫ তাৰিখ শনিবাৰে দুপৰীয়া ১ বজাত হাঁউচ নং ৩৬, এছচি ৰোডবাইলেন-৩ আঠগাওঁ পুকুৰিপাৰ,কামৰূপ, গুৱাহাটী, ৭৮১০০১, অসম, ভাৰতৰ** পঞ্জীয়নভুক্ত ঠিকনাত অনুষ্ঠিত হ'ব। ইআ'জিএমৰ জাননীৰ প্ৰতিলিপি সেই সকলো সদস্যলৈ প্ৰেৰণ কৰা হৈছে যাৰ ইমেইল আইডি কোম্পানী/ডিপজিটৰী অংশগ্ৰহণকাৰী (সকল)ৰ সৈতে পঞ্জীয়ন কৰা হৈছে। ইআ'জিএমৰ জাননীৰ কায়িক প্ৰতিলিপি অন্য সকলো সদস্যলৈ অনুমোদিত স্থিতি অনুসাৰে তেওঁলোকৰ পঞ্জীয়নভুক্ত ঠিকনালৈ প্ৰেৰণ কৰা হৈছে।
শ্বেয়াৰ হোল্ডাৰৰ বৃহৎ অংশগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি আৰু কোম্পানী আইন, ২০১৩, ছেবি (তালিকাকৰণ বাধ্যবাধকতা আৰু প্ৰকাশৰ প্ৰয়োজনীয়তা) নিয়মাৱলী, ২০১৫ আৰু ছেবিৰ নিৰ্দেশনা অনুসৰি নেচনেল **ছিকিউৰিটিজ ডিপজিটৰী লিমিটেডৰ** সৈতে ই-ভোটিঙৰ ব্যৱস্থা কৰা হৈছে। ভোটদানৰ সময়সীমা **১৫ জানুৱাৰী ২০২৫ তাৰিখৰ পৰা পুৱা ৯.০০ বজাৰ পৰা আৰম্ভ হ'ব আৰু ১৭ জানুৱাৰী ২০২৫ তাৰিখে সন্ধিয়া ৫.০০ বজাত** কোম্পানী (ব্যৱস্থাপনা আৰু প্ৰশাসনিক) নিয়ম ২০১৪-ৰ নিয়ম ২০(৩) (VI) অনুসৰি সমাপ্ত হ'ব।
এই সময়ছোৱাত কোম্পানীটোৰ শ্বেয়াৰহোল্ডাৰসকলে, ২০২৫ চনৰ ১১ জানুৱাৰীলৈকে কায়িক ৰূপত বা ডিমেটেৰিয়েলাইডজ ৰূপত শ্বেয়াৰ ধাৰণ কৰি ইলেকট্ৰনিকভাৱে ভোট দিব পাৰে। ই-ভোটিঙৰ বাবে বিশদ নিৰ্দেশনা ইআ'জিএমৰ জাননীত দিয়া হৈছে।
ইআ'জিএমৰ বাবে কোম্পানীটোৰ সদস্যৰ পঞ্জীয়ন **২০২৫ চনৰ ১২ জানুৱাৰীৰ পৰা ২০২৫ চনৰ ১৮ জানুৱাৰীলৈকে** (দুয়োটা দিনকে ধৰি) বন্ধ থাকিব।
স্ক্ৰুটিনাইজাৰৰ প্ৰতিবেদনৰ সৈতে ঘোষিত ফলাফলসমূহ এনএছডিএলৰ ৱেবছাইট https://eservices.nsdl.com ত উপলব্ধ হ'ব আৰু প্ৰয়োজনীয় সংখ্যক ভোট লাভ কৰাৰ অধীনত কোম্পানীটোৰ শ্বেয়াৰসমূহ তালিকাভুক্ত হোৱা ষ্টক এক্সচেঞ্জলৈও প্ৰেৰণ কৰা হ'ব, জাননীত উল্লেখ কৰা প্ৰস্তাৱনাসমূহ ইআ'জিএমৰ তাৰিখত গৃহীত বুলি গণ্য কৰা হ'ব।
এন.ই. ইলেকট্ৰনিকছ লিমিটেডৰ বাবে আৰু হৈ
স্বা/- **স্বপন সৰকাৰ**
স্থান ঃ গুৱাহাটী (পৰিচালন সঞ্চালক)
তাৰিখ ঃ ২০২৫ চনৰ ১৬ জানুৱাৰী ডিআইএন ঃ ০৫১৪৯৪৪২

অনলাইন ইনফৰ্মেচন টেকন'ল'জীছ লিমিটেড
পঞ্জীকৃত ঠিকনা ঃ ২০৫, হবিবল বয় মাৰ্কেট, ২য় মহলা, এ টি ৰোড, ছবফ বিল্ডিঙৰ ওচৰত, কামৰূপ, গুৱাহাটী, ৭৮১০০১, অসম, ভাৰত
চিআইএন ঃ এল৭৪১৪০এএছ১৯৮৫পিএলচি০০২৩৫৫, ইমেইল আইডি ঃ online.information@yahoo.com

জাননী

ইয়াৰ দ্বাৰা জাননী দিয়া হৈছে যে **১৩ জানুৱাৰী ২০২৫ তাৰিখৰ ইআ'জিএমৰ** জাননীত উল্লেখ কৰা কাৰ্যসূচী বিবেচনা আৰু অনুমোদন কৰিবলৈ **অনলাইন ইনফৰ্মেচন টেকন'ল'জীছ লিমিটেডৰ** সদস্যসকলৰ অতিৰিক্ত সাধাৰণ সভা (ইআ'জিএম) **২১ জানুৱাৰী ২০২৫ তাৰিখ মঙলবাৰে** দুপৰীয়া **১২.০০ বজাত ২০৫, হবিবল বয় মাৰ্কেট, ২য় মহলা এ টি ৰোড, ছবফ বিল্ডিঙৰ ওচৰত, কামৰূপ, গুৱাহাটী - ৭৮১০০১৪** পঞ্জীয়নভুক্ত ঠিকনাত অনুষ্ঠিত হ'ব। ইআ'জিএমৰ জাননীৰ প্ৰতিলিপিসেই সকলো সদস্যলৈ প্ৰেৰণ কৰা হৈছে যাৰ ইমেইল আইডি কোম্পানী/ডিপজিটৰী অংশগ্ৰহণকাৰী(সকল)ৰ সৈতে পঞ্জীয়ন কৰা হৈছে। ইআ'জিএমৰ জাননীৰ কায়িক প্ৰতিলিপি অন্য সকলো সদস্যলৈ অনুমোদিত স্থিতি অনুসাৰে তেওঁলোকৰ পঞ্জীয়নভুক্ত ঠিকনালৈ প্ৰেৰণ কৰা হৈছে।
শ্বেয়াৰহোল্ডাৰৰ বৃহৎ অংশগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি আৰু কোম্পানী আইন, **২০১৩,** ছেবি (তালিকাকৰণ বাধ্যবাধকতা আৰু প্ৰকাশৰ প্ৰয়োজনীয়তা) নিয়মাৱলী, ২০১৫ আৰু ছেবিৰ নিৰ্দেশনা অনুসৰি নেচনেল ছিকিউৰিটিজ ডিপজিটৰী লিমিটেডৰ সৈতে ই-ভোটিঙৰ ব্যৱস্থা কৰা হৈছে। ভোটদানৰ সময়সীমা ১৮ জানুৱাৰী ২০২৫ তাৰিখৰ পৰা পুৱা ৯.০০ বজাৰ পৰা আৰম্ভ হ'ব আৰু **২০ জানুৱাৰী ২০২৫ তাৰিখে সন্ধিয়া ৫.০০ বজাত** কোম্পানী (ব্যৱস্থাপনা আৰু প্ৰশাসনিক) নিয়ম ২০১৪-ৰ নিয়ম ২০(৩) (VI) অনুসৰি সমাপ্ত হ'ব।
এই সময়ছোৱাত কোম্পানীটোৰ শ্বেয়াৰহোল্ডাৰসকলে, **২০২৫ চনৰ ১৪ জানুৱাৰীলৈকে** কায়িক ৰূপত বা ডিমেটেৰিয়েলাইডজ ৰূপত শ্বেয়াৰ ধাৰণ কৰি ইলেকট্ৰনিকভাৱে ভোট দিব পাৰে। ই-ভোটিঙৰ বাবে বিশদ নিৰ্দেশনা ইআ'জিএমৰ জাননীত দিয়া হৈছে।
ইআ'জিএমৰ বাবে কোম্পানীটোৰ সদস্যৰ পঞ্জীয়ন **২০২৫ চনৰ ১৫ জানুৱাৰীৰ পৰা ২০২৫ চনৰ ২১ জানুৱাৰীলৈকে** (দুয়োটা দিনকে ধৰি) বন্ধ থাকিব।
স্ক্ৰুটিনাইজাৰৰ প্ৰতিবেদনৰ সৈতে ঘোষিত ফলাফলসমূহ এনএছডিএলৰ ৱেবছাইট https://eservices.nsdl.com ত উপলব্ধ হ'ব আৰু প্ৰয়োজনীয় সংখ্যক ভোট লাভ কৰাৰ অধীনত কোম্পানীটোৰ শ্বেয়াৰসমূহ তালিকাভুক্ত হোৱা ষ্টক এক্সচেঞ্জলৈও প্ৰেৰণ কৰা হ'ব, জাননীত উল্লেখ কৰা প্ৰস্তাৱনাসমূহ ইআ'জিএমৰ তাৰিখত গৃহীত বুলি গণ্য কৰা হ'ব।
অনলাইন ইনফৰ্মেচন টেকন'ল'জীছ লিমিটেডৰ বাবে আৰু হৈ
স্বা/- **স্বপন সৰকাৰ**
স্থান ঃ গুৱাহাটী (পৰিচালন সঞ্চালক)
তাৰিখ ঃ ২০২৫ চনৰ ১৬ জানুৱাৰী ডিআইএন ঃ ০৫১৪৯৪৪২

জগদীশ্বৰ ফাৰ্মাচিউটিকেল বৰ্কছ লিমিটেড
পঞ্জীকৃত ঠিকনা ঃ ২০৫, হবিবল বয় মাৰ্কেট, ২য় মহলা, এ টি ৰোড, ছবফ বিল্ডিঙৰ ওচৰত, কামৰূপ, গুৱাহাটী ৭৮১০০১, অসম, ভাৰত
চিআইএনঃ এল২৪২৩২এএছ১৯৮৭পিএলচি০০২৮০৩, ইমেইল আইডিঃ jpwltd@yahoo.com

জাননী

ইয়াৰ দ্বাৰা জাননী দিয়া হৈছে যে ১৩ জানুৱাৰী২০২৫ তাৰিখৰ (ইআ'জিএম)ৰ জাননীত উল্লেখ কৰা কাৰ্যসূচী বিবেচনা আৰু অনুমোদন কৰিবলৈ **জগদীশ্বৰ ফাৰ্মাচিউটিকেল বৰ্কছ লিমিটেডৰ** সদস্যসকলৰ অতিৰিক্ত সাধাৰণ সভা (ইআ'জিএম) **২১ জানুৱাৰী ২০২৫ তাৰিখ মঙলবাৰে দুপৰীয়া ২ বজাত২০৫, হবিবল বয় মাৰ্কেট, ২য় মহলা এ টি ৰোড, ছবফ বিল্ডিঙৰ ওচৰত, কামৰূপ, গুৱাহাটী** - ৭৮১০০১৪ পঞ্জীয়নভুক্ত ঠিকনাত অনুষ্ঠিত হ'ব। ইআ'জিএমৰ জাননীৰ প্ৰতিলিপিসেই সকলো সদস্যলৈ প্ৰেৰণ কৰা হৈছে যাৰ ইমেইল আইডি কোম্পানী/ডিপজিটৰী অংশগ্ৰহণকাৰী (সকল)ৰ সৈতে পঞ্জীয়ন কৰা হৈছে। ইআ'জিএমৰ জাননীৰ কায়িক প্ৰতিলিপি অন্য সকলো সদস্যলৈ অনুমোদিত স্থিতি অনুসাৰে তেওঁলোকৰ পঞ্জীয়নভুক্ত ঠিকনালৈ প্ৰেৰণ কৰা হৈছে।
শ্বেয়াৰহোল্ডাৰৰ বৃহৎ অংশগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি আৰু কোম্পানী আইন, ২০১৩, ছেবি (তালিকাকৰণ বাধ্যবাধকতা আৰু প্ৰকাশৰ প্ৰয়োজনীয়তা) নিয়মাৱলী, ২০১৫ আৰু ছেবিৰ নিৰ্দেশনা অনুসৰি নেচনেল ছিকিউৰিটিজ ডিপজিটৰী লিমিটেডৰ সৈতে ই-ভোটিঙৰ ব্যৱস্থা কৰা হৈছে। ভোটদানৰ সময়সীমা ১৮ জানুৱাৰী ২০২৫ তাৰিখৰ পৰা পুৱা ৯.০০ বজাৰ পৰা আৰম্ভ হ'ব আৰু **২০ জানুৱাৰী ২০২৫ তাৰিখে সন্ধিয়া ৫.০০ বজাত** কো